জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৮২/২০২২

# স্বচ্ছ আৰু সেউজ শক্তিৰ লক্ষ্যৰে ১০০ খন চি এন জি বাছ ফ্লেগ অফ কৰিলে মুখ্যমন্ত্ৰীয়ে

## মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিলে গুৱাহাটীৰ প্ৰথমটো চি এন জি ইন্ধন ষ্টেচন

### গোলকীয় উষ্ণতা হ্ৰাস কৰাৰ বাবে  সেউজ শক্তিৰ ব্যৱহাৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব

### জলবায়ু পৰিৱৰ্তন মোকাবিলা কৰিবলৈ সকলোৰে একত্ৰিতভাৱে কাম কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই  গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডে অসম ৰাজ্যিক পৰিৱহণ নিগমক উপহাৰ হিচাপে দিয়া ১০০ খন নতুন কম্প্ৰেছড নেচাৰেল গেছ (চি এন জি) চালিত বাছৰ আজি ফ্লেগ অফ কৰাৰ লগতে মহানগৰীৰ প্ৰথমটো চি এন জি ইন্ধন ষ্টেচনৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে আন্তঃৰাজ্যিক বাছ টাৰ্মিনাছৰ সমীপত ইণ্ডিয়ান অ'ইল আৰ অ' স্বাগত চি এন জি ষ্টেচন নামেৰে পূৰ্ব ভাৰতী গেছ লিমিটেডে এই ষ্টেচনটো স্থাপন কৰে।

স্মাৰ্ট চিটি মিছনৰ অধীনত গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডে ক্ৰয় কৰা এই বাছসমূহত এয়াৰ কণ্ডিচনাৰ, ফায়াৰ ডিটেকচন, গ্লৱেল পজিচনিং চিষ্টেম আদি উপলব্ধ আছে। এই বাছসমূহ অসম ৰাজ্যিক পৰিবহণ নিগমে পৰিচালিত কৰিব।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চি এন জি পৰিচালিত বাছসমূহ মুকলি কৰি মহানগৰীৰ প্ৰথমটো চি এন জি ইন্ধন ষ্টেচন উদ্বোধন কৰাটো জলবায়ু পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰভাৱ ক্ৰমান্বয়ে লাঘৱ কৰাৰ দিশত নিৰ্ণায়ক পদক্ষেপ হিচাপে বিবেচিত হৈছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ আঁৰত পেট্ৰ'ল আৰু ডিজেলৰ দৰে জীৱাশ্ম ইন্ধনৰ অত্যাধিক ব্যৱহাৰে প্ৰধান কাৰক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এনে শক্তিৰ উৎসৰ ব্যৱহাৰৰ পৰা হোৱা কাৰ্বন নিৰ্গমনে অসমকে ধৰি বিশ্বৰ বহু ঠাইত জলবায়ুৰ ভাৰসাম্যহীনতাৰ সৃষ্টি কৰিছে। তেওঁ কয় যে  জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ কম কৰাৰ দিশত সকলোৰে ঐক্যবদ্ধভাৱে কাম কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। ইয়াৰ বাবে দীৰ্ঘম্যাদী আৰু স্থায়ী সমাধানৰ পথ উলিয়াব লাগিব বুলিও উল্লেখ কৰি তেওঁ লগতে কয় যে চি এন জিৰ দৰে স্বচ্ছ আৰু সেউজ শক্তিয়ে এই সমস্যাটো লাঘৱ কৰাৰ দিশত বিশেষ অৰিহণা যোগাব পাৰিব।

## জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে কয় যে সমগ্ৰ বিশ্বতে বৃহৎ চহৰসমূহে ইতিমধ্যে বহু ক্ষেত্ৰত স্বচ্ছ শক্তিৰ উৎসৰ দিশত উল্লেখযোগ্য পৰিৱৰ্তনৰ সাক্ষী হৈ পৰিছে। গুৱাহাটীৰ ৰাজহুৱা পৰিৱহণ ব্যৱস্থাত স্বচ্ছ আৰু সেউজ ইন্ধন ব্যৱহাৰৰ দিশত লোৱা পদক্ষেপৰ ফলত কাৰ্বন নিৰ্গমনৰ পৰিমাণ হ্ৰাস কৰাৰ বাবে ৰাষ্ট্ৰৰ প্ৰতিশ্ৰুতি পূৰণৰ ক্ষেত্ৰত অৰিহণা যোগোৱাটো নিশ্চিত কৰিব বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ২০২৩ চনৰ মাৰ্চ মাহৰ ভিতৰত পূৰ্ব ভাৰতীয়ে মহানগৰীত কমেও ৫ টা চি এন জি ষ্টেচন স্থাপন কৰিব আৰু দুবছৰ মানৰ পিছত এনে ইন্ধন ষ্টেচনৰ সংখ্যা ৫০ টালৈ বৃদ্ধি হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ক্ৰমান্বয়ে দিল্লীৰ দৰে অট'ৰিক্সা, ভেন আদি অন্যান্য ৰাজহুৱা পৰিবহণ বাহনকো চি এন জি পৰিসৰৰ অধীনলৈ অনা হ'ব। তেওঁ লগতে কয় যে প্ৰয়োজনীয় আন্তঃগাঁথনি গঢ়ি উঠিলে চি এন জি চালিত ব্যক্তিগত বাহনসমূহক অনুমতি দিয়াৰ সম্ভাৱনাৰ বিষয়েও আগন্তুক দিনত বিবেচনা কৰা হ'ব। পূৰ্ব ভাৰতীয়ে মহানগৰীৰ ঘৰে ঘৰে পাইপ যোগেৰে প্ৰাকৃতিক গেছ (পি এন জি) গেছ প্ৰদান কৰিব। গুৱাহাটীত এই সেৱা আৰম্ভ কৰিবলৈ প্ৰয়োজনীয় আন্তঃগাঁথনিগত কাম সম্প্ৰতি ৰূপায়ণৰ বিভিন্ন পৰ্যায়ত আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

চি এন জি বিক্ৰীৰ বাবে ৰাজ্যৰ বাহিৰৰ পৰা গেছ অনা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে গেছ-গ্ৰীড প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী মানসিকতাৰ বাবে সম্ভৱ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰীৰ এই পদক্ষেপ অবিহনে অসমত চি এন জি ষ্টেচন স্থাপন সম্ভৱ নহ'লহেতেন।

মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ পৰিবহণ বিভাগ আৰু অসম ৰাজ্যিক পৰিবহণ নিগম প্ৰশাসনক আহ্বান জনাই কয় যে এই ১০০ খন নতুন চি এন জি বাছক লাভজনক পৰ্যায়লৈ লৈ গৈ দক্ষ সংস্থালৈ ৰূপান্তৰিত কৰাৰ সুযোগক সঠিকভাৱে ব্যৱহাৰ কৰিব লাগিব। তেওঁ আশা প্ৰকাশ কৰি কয় যে অসম ৰাজ্যিক পৰিবহণ নিগমে দৈনন্দিন কাম-কাজত কৰ্প'ৰেট হাউছৰ কৰ্মনীতি আনিব লাগিব।

আজিৰ অনুষ্ঠানত কেবিনেট মন্ত্ৰী অশোক সিংহল, বিমল বড়া, পৰিমল শুক্লবৈদ্যকে ধৰি ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**অঃহাঃ / পুঃডেঃ**
**১/১/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in